তোমালোকৰ কোনোবাই যেতিয়া মৃত্যুবৰণ কৰে, পুৱা-গধূলি তাৰ অৱস্থান ক'ত হ'ব সেয়া তাৰ সন্মুখত উপস্থাপন কৰা হয়।

আব্দুল্লাহ বিন ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ কোনোবাই যেতিয়া মৃত্যুবৰণ কৰে, পুৱা-গধূলি তাৰ
অৱস্থান ক'ত হ'ব সেয়া তাৰ সন্মুখত উপস্থাপন কৰা হয়। যদি তেওঁ জান্নাতী হয় তেন্তে জান্নাতৰ অৱস্থান, আৰু যদি সি জাহান্নামী হয় তেন্তে জাহান্নামৰ অৱস্থান তাৰ সন্মুখত উপস্থাপন কৰা হয়। কিয়ামত সংঘটিত নোহোৱালৈকে তাক এইদৰে কোৱা হ'ব যে, এইটো হৈছে তোমাৰ অৱস্থান কৰিবলগীয়া ঠাই'।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যেতিয়া কোনো ব্যক্তিয়ে মৃত্যুবৰণ কৰে, তেতিয়া তাৰ সন্মুখত জান্নাত অথবা জাহান্নামত তাৰ হ'বলগীয়া বিশেষ স্থানটো পুৱা-গধূলি উপস্থাপন কৰা হয়। যদি জান্নাতী হয় তেন্তে জান্নাতৰ ঠাই দেখুৱা হয়, আনহাতে যদি জাহান্নামী হয় তেন্তে জাহান্নামৰ স্থান দেখুৱা হয়। লগতে তাক কোৱা হয়ঃ কিয়ামতৰ দিনা এই স্থানতে তোমাক প্ৰেৰণ কৰা হ'ব। মুমিনৰ বাবে এইটো হৈছে এটা নিয়ামত আৰু কাফিৰৰ বাবে এইটো হৈছে এটা শাস্তি।

http://www.sunnah.global/hadeeth/as/show/11210